# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-09-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি ভোটগ্ৰহণ কৰা হৈছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি উজবেকিস্তানৰ বিনিয়োগ তথা উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী লাজিজ কুড্ৰাটভক সাক্ষাৎ কৰে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি গৌতমবুদ্ধ নগৰত উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব।

৪। অসম চৰকাৰে ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ নৱম শ্ৰেণীত অধ্যয়নৰত ৩ লাখতকৈও অধিক ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে।

*আৰু*

৫। জীৱন নেডুনছেজিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তে এ-টি-পি ২৫০ হাংঝৌ অ'পেন ২০২৪ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰিছে।

ooooo

জম্মু-কাশ্মীৰ বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে আজি ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্য্যায়ত ২৬ টা সমষ্টি সামৰি লোৱা হৈছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণৰ সন্ধিয়া ৬ বজাত সমাপ্তি ঘটিব। সৰ্বাধিক সংখ্যক লোকক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা দিয়াৰ বাবে অঞ্চলসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। নিকা, নিৰপেক্ষ আৰু মসৃণ ভোটগ্ৰহণ নিশ্চিত কৰিবলৈ নগৰ অঞ্চলত এহেজাৰ ৫৬ টা আৰু গাঁও অঞ্চলত দুহেজাৰ চাৰিশ ৪৬ টা ধৰি মুঠ তিনিহেজাৰ পাঁচশ ২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আটাইবোৰ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ সুবিধা কৰা হৈছে।

এই পৰ্য্যায়ত নেচনেল কনফাৰেন্সৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাহ, কংগ্ৰেছ প্ৰদেশৰ মুৰব্বী তাৰিক হামিদ কাৰাহ, জম্মু-কাশ্মীৰ বিজেপিৰ অধ্যক্ষ ৰবিন্দৰ ৰাইনা আৰু অপনি পাৰ্টিৰ সভাপতি আলতাফ বুখাৰীৰ দৰে আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰা হ'ব। জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। তৃতীয় পৰ্যায়ৰ ৪০খন আসনৰ বাবে অহা ১ অক্টোবৰত ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ৮ অক্টোবৰত ভোটগণনা হ'ব।

000000

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি জম্মু-কাশ্মীৰত দুখন নির্বাচনী সভাত ভাষণ দিব। দলৰ এগৰাকী নেতাই অৱগত কৰা অনুসৰি শ্ৰীগান্ধীয়ে প্ৰথমে পেছাদাৰী ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত দিনৰ প্ৰায় ১২.৩০ বজাত তেওঁ জে কে ৰিজৰ্ট খেলপথাৰত এটা সমাৰেশক সম্বোধন কৰিব।

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনত এইবেলি নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁট হিচাপে অৱতীৰ্ণ হৈছে। প্ৰাক্ নিৰ্বাচনী চৰ্ত অনুসৰি নেচনেল কনফাৰেন্সে ৫২টা আৰু কংগ্ৰেছে ৩১টা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কাশ্মীৰ উপত্যকাত চি পি আই-এমৰ বাবে আৰু জম্মু মণ্ডলত পেন্থাৰছ পাৰ্টিৰ বাবে এখনকৈ আসন এৰি দিয়া হৈছে।

ooooo

উজবেকিস্তান ভ্ৰমণৰত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সমৰকন্দত এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকৰ পৰিচালকমণ্ডলীৰ বাৰ্ষিক বৈঠকত ভাগ লোৱাৰ পূৰ্বে কালি দেশখনৰ বিনিয়োগ তথা উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী লাজিজ কুড্ৰাটভক সাক্ষাৎ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে ঘাইকৈ নবীকৰণযোগ্য শক্তি, সাৰ আৰু ঔষধ খণ্ডৰ লেখীয়া দ্বিপাক্ষিক বাণিজ্যৰ সৈতে সম্পৰ্ক থকা পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহ আলোচনা কৰে।

বিত্ত মন্ত্ৰালয়ে কৈছে যে, দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত আৰু উজবেকিস্তানৰ মাজৰ দ্বিপাক্ষিক বিনিয়োগ চুক্তিৰ সাফল্যক লৈ আলোচনা কৰে। এই সাফল্যই বিশেষকৈ স্বাস্থ্যসেৱা, আতিথ্য আৰু পৰ্যটন খণ্ডৰ পাৰস্পৰিক বজাৰত বিনিয়োগকাৰীৰ আস্থা বৃদ্ধি কৰিব বুলিও তেওঁলোকে একমত প্ৰকাশ কৰে।

দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰতৰ ডিজিটেল পেমেণ্ট বিপ্লৱৰ বিষয়েও আলোচনা কৰে বুলিও।মন্ত্ৰালয়ৰ বিবৃতিত প্ৰকাশ কৰা হৈছে। এই আলোচনাত ৰূপে' কাৰ্ড আৰু ইউপিআই ব্যৱস্থাই আগস্থান পায়। শ্ৰীকুড্ৰাটভে ভাৰতৰ বিকাশৰ কাহিনীৰ শলাগ লৈ দ্বিপাক্ষিক বাণিজ্য আৰু সংযোগ ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰে।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **যুৱ শক্তিক গতি প্ৰদান**ৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কৈছে যে যুৱক-যুৱতীসকলক নতুন চাকৰি লাভ কৰাৰ লগতে অতিৰিক্ত আয়ৰ উৎস সৃষ্টিৰ বাবে প্ৰয়োজনীয় দক্ষতাৰে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। উল্লেখযোগ্য যে তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত চৰকাৰে প্ৰধানমন্ত্ৰী পুঁজিৰ অধীনত দক্ষতা বিকাশ তথা নিয়োগ সৃষ্টিৰ বাবে ২ লাখ কোটি টকা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে দেশৰ ৪ কোটিৰো অধিক যুৱক-যুৱতী উপকৃত হ'ব। আনহাতে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন পৰিস্থিতিতন্ত্ৰ শক্তিশালী  কৰাৰ বাবে চৰকাৰে ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে বিজ্ঞান ধাৰা আঁচনিত অনুমোদন জনাইছে। একেদৰে যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়া প্ৰতিভাৰ প্ৰশিক্ষণৰ বাবে খেলো ইণ্ডিয়া উদীয়মান

প্ৰতিভা চিনাক্তকৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ড্ৰাগছ সম্পৰ্কীয় সমস্যাসমূহৰ ক্ষেত্ৰত সহায় আৰু প্ৰতিবেদনৰ বাবে আৰম্ভ কৰা **মানস হেল্পলাইনে** ড্ৰাগছমুক্ত ভাৰতত অৰিহণা যোগাইছে। তদুপৰি প্ৰায় ১ কোটি যুৱক-যুৱতীয়ে শীৰ্ষৰ ৫০০টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ লাভৰ ব্যৱস্থা কৰাৰ লগতে এহেজাৰখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান উন্নীতকৰণৰ সমান্তৰালকৈ ২০ লাখ যুৱক-যুৱতীক দক্ষতা বিকাশৰ সুযোগ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, প্ৰশ্নকাকত ফাদিল ৰোধ কৰাৰ লগতে নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ কৰি তুলিবলৈ ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেটত বিভিন্ন খণ্ডত কৰ্মসংস্থাপন সৃষ্টিৰ বাবে ১১ দশমিক ১১ লাখ কোটি টকা মূলধনী ব্যয় ধাৰ্য কৰা হৈছে। তদুপৰি, কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহত ১৫ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি গৌতমবুদ্ধ নগৰত উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। পাঁচ দিনীয়াকৈ হ'বলগীয়া এই বাণিজ্য প্ৰদৰ্শনী অহা ২৯ ছেপ্তেম্বৰত অন্ত পৰিব। এই অনুষ্ঠানত উত্তৰ প্ৰদেশৰ বাণিজ্য আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনীত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ভিয়েটনামকো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে, উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ প্ৰথম সংস্কৰণ যোৱা বছৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উদ্বোধন কৰিছিল।

০০০০০

অসম চৰকাৰে ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ নৱম শ্ৰেণীত অধ্যয়নৰত ৩ লাখ ২৩ হাজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীক চাইকেল যোগান ধৰাৰ সিদ্ধান্ত লৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্ত সদৰি কৰিছে। কালি অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ১৫০ কোটি টকা ব্যয় কৰিব। ড° শৰ্মাই দৃঢ়তাৰে কয় যে এই পদক্ষেপে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিব আৰু আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ হ্ৰাস কৰিব।

এই আঁচনিৰ বাবে মুঠ ১৪৮ কোটি ৫৫ লাখ টকা অনুমোদন কৰা হৈছে। ছাত্ৰ আৰু ছাত্ৰীক সামৰি ৰাজ্যৰ মুঠ ৩ লাখ ২৩ হাজাৰ ৬৪০ গৰাকী শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে।

০০০০০

ঝাৰখণ্ডৰ বিধানসভাৰ নিৰ্বাচনী প্ৰভাৰী তথা কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন প্ৰদান কৰাত ব্যৰ্থ হৈছে। বোকাৰোত পৰিৱৰ্তন ৰেলীক সম্বোধন কৰি কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনত বিজেপি চৰকাৰ গঠনৰ পাছত হ'বলগীয়া প্ৰথমখন কেবিনেটতে খালী হৈ থকা ২ লাখ ৭৫ হাজাৰ পদ পূৰণ কৰাৰ সিদ্ধান্ত লোৱা হ'ব।

আনহাতে, মুখ্যমন্তৰী হেমন্ত চোৰেণে বিজেপিৰ বিৰুদ্ধে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক বিপথে পৰিচালিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে বৰ্তমানৰ চৰকাৰখনে ৰাজ্যৰ সৰ্বাংগীন উন্নয়নৰ বাবে ভালেসংখ্যক পদক্ষেপ লৈছে আৰু এইসমূহ স্পষ্টভাৱে পৰিলক্ষিত হৈছে।

০০০০০

সীমান্ত সুৰক্ষা বাহিনীয়ে বাংলাদেশী দুস্কৃতিকাৰীয়ে অবৈধভাৱে সীমা অতিক্ৰম কৰি এগৰাকী জোৱানক অপহৰণ কৰাৰ পৰিপ্ৰক্ষিতত বোৰ্ডাৰ গাৰ্ড বাংলাদেশৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। ভাৰতৰ দিনাজপুৰৰ বিৰল সীমান্তৰ সমীপৰ কৰ্তব্যত থকাৰ সময়তে ১৫-২০ জনীয়া এটা গোটে জোৱানজনক অপহৰণ কৰি বোৰ্ডাৰ গাৰ্ড বাংলাদেশৰ ছাউনীত ৰাখে। পাছত দুয়োখন দেশৰ চেক্টৰ কমাণ্ডাৰৰ বৈঠকৰ অন্তত জোৱানজনক মুকলি কৰি দিয়ে। সীমান্ত সুৰক্ষা বাহিনীয়ে এই ঘটনাক নিন্দা কৰাৰ লগতে সীমান্ত অঞ্চলত শান্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব।

০০০০০

জীৱন নেদুনচেজিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তৰ ভাৰতীয় যুটীটোৱে এ টি পি ২৫০ হাংঝৌ অ'পেন ২০২৪ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰিছে। হাংঝো অলিম্পিক স্প'ৰ্টছ এক্সপ' চেণ্টাৰত কালি অনুষ্ঠিত ফাইনেলত ভাৰতীয় যুটীটোৱে জাৰ্মানীৰ কনষ্টেণ্টিন ফ্ৰাণ্টজেন আৰু হেণ্ড্ৰিক জেবেন্সক ৪-৬, ৭-৬ (৭-৫), ১০-৭ ফলাফলত পৰাস্ত কৰে। এয়া হ'ল ভাৰতীয় যুটীটোৰ প্ৰথমটো এ টি পি খিতাপ। জীৱনে সাত বছৰৰ অন্তত এটিপি খিতাপ জয় কৰাৰ বিপৰীতে এয়া হ'ল বিজয়ে অৰ্জন কৰা প্ৰথমটো এটিপি খিতাপ।

০০০০০

**সমাপ্ত**